بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ    نَحۡمَدُهٗ وَنُصَلِّيۡ عَلٰى رَسُوۡلِهِ الۡكَرِيۡمِ    وَعَلٰى عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ৭ ফেব্ৰুৱাৰীত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - আজি মই যিজন চাহাবীৰ বিষয়ে আলোচনা আগবঢ়াম তেখেতৰ নাম হল হজৰত মহম্মদ বিন মুছলমাহ আনছাৰী (ৰাঃ)। আনছাৰ কবিলা আউচৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। হজৰত মহম্মদ মুছলমাহ মুছলমাহ (ৰাঃ) প্ৰাৰম্ভিক যুগতেই ইছলাম গ্ৰহন কৰিছিল। এখেত (ৰাঃ)য়ে হজৰত মুছাআব বিন উমিৰৰ জৰিয়তে হজৰত ছাআদ বিন মুৱাজৰ আগতে ইছলাম গ্ৰহন কৰিছিল। যেতিয়া হজৰত উবেদা বিন আল জৰাহ (ৰাঃ) হিজৰত কৰি মদিনালৈ আহিছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে এখেত দুয়োৰে মাজত ভাতৃত্ব বন্ধন ৰচি দিছিল। এখেত (ৰাঃ) সেই সকল চাহাবাৰ মাজত এজন আছিল যি সকলে কাআব বিন আশ্ৰফ আৰু আবু ৰাফিয়া ছালামা বিন আবু হাকিক দুয়োকে হত্যা কৰিছিল। এই দুজন লোক এনেকুৱা চক্ৰান্তকাৰী বিবাদি আছিল যে সদায় মুছলমান সকলৰ ক্ষতি সাধন কৰাৰ অপচেষ্টা চলাইছিল। এনেকি মুছলমান সকলৰ ওপৰত আক্ৰমণ কৰা ষড়যন্ত্ৰত লিপ্ত আছিল। আঁহজৰত (ছাঃ)ৰ ওপৰতও আক্ৰমণ কৰাৰ চেষ্টা চলাইছিল। আঁহুজুৰ (ছাঃ)য়ে হজৰত মহম্মদ বিন মুছলমানক এই দুজন লোকক হত্যা কৰাৰ নিমিত্তে নিযুক্ত কৰিছিল। আঁহজৰত (ছাঃ)য়ে কিছুমান যুদ্ধৰ সময়ত হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)ৰ পুতেক সকল জাফৰ, আব্দুল্লাহ, ছাআদ, আব্দুৰ ৰহমান, আৰু উমৰ আদিক নবী কৰিম (ছাঃ)ৰ চাহাবী হিচাপে গণ্য কৰা হয়। হজৰত মহম্মদ বিন মুছলমাহ একমাত্ৰ তবুকৰ যুদ্ধৰ সময়ত নবী কৰিম (ছাঃ)ৰ অনুমতি ক্ৰমে মদিনাত থাকিবলৈ ৰৈ গৈছিল।

যেনেকৈ উল্লেখ কৰা হৈছে যে দুজন ইছলাম বিৰুধীৰ হত্যাত হজৰত মহম্মদ বিন মুছলমাহ আনছাৰী (ৰাঃ) অংশ গ্ৰহন কৰিছিল, ইয়াৰ এটা চমু বিৱৰণী হজৰত উবাদা বিন বশিৰে আগবঢ়োৱা মতে উল্লেখ কৰা হৈছে। তথাপি আৰু কিছুমান কথা ইয়াত চমুকৈ উল্লেখ কৰিবলৈ লৈছো। ছিৰাত খাতামান্নাবীঈনত হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে কাআব বিন আশ্ৰফৰ হত্যা সম্পৰ্কে লিখিছে যে বদৰৰ যুদ্ধত মদিনাৰ ইহুদী সকলৰ অন্তৰৰ গোপন শত্ৰুতাৰ বৰ্হিপ্ৰকাশ ঘটিছিল আৰু তেওঁলোকে শত্ৰুতাত কঠোৰ ভাৱে আগবাঢ়ি গৈছিল। গতিকে কাআব বিন আশ্ৰফৰ হত্যাৰ ঘটনা তেওঁলোকৰ বাবে বৰ দুখৰ বিষয় হৈ পৰিছিল। কাআব যদিও ধৰ্মীয় ভাৱে ইহুদী আছিল কিন্তু আচলতে তেওঁ আৰৱ বংশীয় লোক আছিল। তেওঁৰ পিতৃ আশ্ৰফ এজন বৰ সচেতন আৰু চতুৰ লোক আছিল। মদিনালৈ আহি বণু নজিৰাৰ সৈতে বন্ধুত্ব স্থাপন কৰিছিল। অৱশেষত তেওঁ ইমানেই প্ৰতিপত্তি আৰু আদিপত্ত বিস্তাৰ কৰিছিল যে বণু নজিৰা কবিলাৰ সৰ্বোচ্চ চৰদাৰ আৰু ৰাফিয়া বিন আবি আল হাকিকে নিজৰ জীয়েকক তেওঁলৈ বিয়া দিছিল। যাৰ গৰ্ভত কাআবৰ জন্ম হৈছিল। কাআবেও ডাঙৰ দীঘল হৈ দেউতাকৰ দৰে প্ৰতিপত্তি লাভ কৰিছ্লি। তেওঁ ইমানেই মৰ্যাদা লাভ কৰিব পাৰিছিল যে গোটা আৰৱৰ ইহুদী সকলে তেওছক নিজৰ চৰদাৰ (নেতা) হিচাপে মানিবলৈ লৈছিল। চৰিত্ৰৰ ফালেৰে এওঁ এজন বৰ বেয়া চৰিত্ৰৰ লোক আছিল। গোপন ষড়যন্ত্ৰ আৰু লুণ্ঠন কাৰ্য্যত এওঁ বৰ পাৰ্গত আছিল। যিয়েই নহওঁক যেতিয়া আঁহজৰত (ছাঃ)য়ে মদিনালৈ হিজৰত কৰিছিল তেতিয়া কাআবে বেলেগ ইহুদী সকলৰ লগত মিলি আঁহজৰত (ছাঃ)ৰ লগত এটা চুক্তি সম্পন্ন কৰিছিল। যত আঁহজৰত (ছাঃ) আৰু ইহুদী সকলৰ মাজত পাৰস্পৰিক মিত্ৰতা স্থাপন আৰু নিৰাপত্তা আৰু এজনে আনজনক দিয়া প্ৰতিৰক্ষা সম্পৰ্কে লিখা হৈছিল। কিন্তু ভিতৰি ভিতৰি কাআবে হিংসাৰ দাবালনত জ্বলি পুৰি মৰিবলৈ লৈছিল আৰু গোপনে চক্ৰান্ত আৰু গোপন ষড়যন্ত্ৰ কৰি ইছলাম আৰু ইছলামৰ প্ৰতিষ্ঠাতাৰ বিৰুধীতা আৰম্ভ কৰিছিল। অৱশেষত বদৰৰ যুদ্ধৰ পিছত তেওঁ এনে আচৰণ কৰিবলৈ লৈছিল, যি আছিল এক ভয়ানক বিপদৰ সৃষ্টি হৈ পৰিছিল।

যেতিয়া বদৰৰ যুদ্ধত মুছলমান সকলে অসাধাৰণ বিজয় প্ৰাপ্ত হৈছিল আৰু কুৰাইছ নেতা সকলৰ বেছি ভাগেই নিহত হৈছিল তেতিয়া তেওঁ ভাৱিছিল যে এতিয়া এই নতুন ধৰ্ম এনেয়ে বাধা দি ৰাখিব নোৱাৰি। গতিকে বদৰৰ যুদ্ধৰ পিছত তেওঁ ইছলাম নিৰ্মূল কৰনাৰ্থে নিজৰ চেষ্টা প্ৰচেষ্টাত বদ্ধমুল হৈ পৰে। যেতিয়া কাআব দেখিবলৈ পাইছিল যে সচাঁকৈয়ে বদৰ প্ৰান্তৰ

বিজয়ে ইছলামক সেই প্ৰতিপত্তি দান কৰিছে,যি তেওঁ কল্পনাও কৰা নাছিল, তেতিয়া তেওঁ হিংসা বিদ্বেষত জ্বলি পকি উঠিছিল আৰু অতি সোন কালে মক্কালৈ যাত্ৰা কৰিছিল। মক্কাত গৈ উপস্থিত হোৱাৰ পিছত তেওঁ নিজৰ বাক-পটুতা আৰু কবিতা পাঠৰ জৰিয়তে কুৰাইছ সকলৰ হৃদয়ত জ্বলি থকা হিংসাৰ অগ্নিত স্ফুলিংগ ঢালি দিছিল আৰু তেওঁলোকৰ হৃদয়ত মুছলমানৰ তেজৰ পিয়াহ জগাই তুলিছিল। কুৰাইছ সকলৰ বুকুত প্ৰতিশোধৰ অগ্নি জগমগাই তুলিছিল। যেতিয়া কাআবৰ উচটনিত প্ৰণোদিত হৈ তেওঁলোকৰ হৃদয় কক্ষত চৰম বিজুলি ঢেৰেকনিৰ সৃষ্টি হৈছিল। তেতিয়া কুৰাইছ সকলে কাআবক খানা কাবাৰ মজিয়াত লৈ গৈ, কাবাৰ পৰ্দাতাৰ হাতত ৰাখি শপত লৈছিল যে- যেতিয়ালৈকে ইছলাম আৰু বাণী ইছলামক ধৰাধামৰ পৰা চিৰন্তন বিদায় দফা লিখি দিব নোৱাৰিম তেতিয়ালৈকে শান্তিৰ উশাহ নিৰ্গত নকৰো।

ইয়াৰ পিছত এই দুষ্টই আৰবৰ আন এটা কবিলাৰ ফালে চোঁচা লাগে। এনেদৰে কবিলাৰ পিছত কবিলাৰ দুৱাৰে দুৱাৰে টইল দি দি মুছলমান সকলৰ বিৰুদ্ধে মাৰ বান্ধি থিয় কৰায়। ইয়াৰ পিছত এই দুৰাচাৰে মদিনালৈ ওভতি আহি মুছলমান মহিলা সকলৰ কুৎসা ৰটনা মুলক কবিতা আবৃত্তি কৰে। অৰ্থ্যাৎ প্ৰৰোচনা মূলক কদৰ্য্য কবিতাত বিভৎসা ভাৱে মুছলান মহিলা সকলৰ বিষয়ে উল্লেখ কৰে। এনেকি নবী বংশৰ মহিলা সকলকও তাৰ এই বিভৎসা ৰচনাৱলীত সাঙুৰি লবলৈ এৰি নিদিয়ে আৰু গোটা দেশ জুৰি তাৰ এই কবিতা সমুহ গাই ফুৰিবলৈ ধৰে। ইয়াৰ উপৰিও এই দুৰাচাৰ লোকজনে আঁহজৰত (ছাঃ)ক প্ৰাণে মৰাৰ ষড়যন্ত্ৰ কৰে। এই ষড়যন্ত্ৰত মহম্মদ (ছাঃ)ক কাআবে নিমন্ত্ৰণ কৰি আনি যিনজৰ ঘৰত কেইজন মান ইহুদী ডেকাৰ হতুৱাই প্ৰাণ লোৱাৰ পৰিকল্পনা কৰিছিল। কিন্তু খোদা তায়ালাৰ কৃপাত এই দুষ্ট চক্ৰৰ পৰিকল্পনা ফাদিল হৈ পৰিছিল আৰু তাৰ এই ষড়যন্ত্ৰ কাৰ্য্যত পৰিণত কৰিব পৰা নাছিল।

যেতিয়া এই সমস্যা তুংগত উঠিছিল গৈ আৰু কাআবৰ চুক্তি, ভংগ, বিদ্ৰোহ, যুদ্ধৰ সুত্ৰপাত কৰা, উগ্ৰ গণ্ডোগোল, কুৎসা মুলক ভিৎস্য ৰচনাৱলী পাঠ, হত্যাৰ ষড়যন্ত্ৰ আদিৰ জলন্ত প্ৰমান হাতত লৈছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে এই সিদ্ধান্তৰ ঘোষনা দিছিল যে কাআব বিন আশ্ৰফ নিজৰ দুৰাচাৰী কাৰ্য্যৰ পৰিপ্ৰেক্ষিতে ওয়াজিবুল কতল অৰ্থ্যাৎ হত্যাৰ যোগ্য অপৰাধী হৈ পৰিছে। যিহেতু সেই সময়ত কাআবৰ এই বিদ্ৰোহৰ কাৰণে মদিনাৰ পৰিবেশ পৰিস্থিতি এনেকুৱা হৈ পৰিছিল যে যদি কাআবক মুকলি ভাৱে হত্যা কৰা হলহেতেঁন তেন্তে মদিনাত এক ভ্য়ানক যুদ্ধৰ সুত্ৰপাত হলহেতেঁন আৰু তেজৰ বণ্যা বৈ গলহেতেঁন। সেয়ে আঁহজৰত (ছাঃ)য়ে যিমানদূৰ সম্ভৱ সাম্প্ৰদায়িক সংঘৰ্ষ প্ৰতিৰোধ কৰিব বিচাৰিছিল আৰু এয়া নিৰ্দেশ দিছিল যে কাআবক যেন মুকলি ভাৱে হত্যা কৰা নহয়। বৰং কেইজন মান লোকে মনে মনে উলিয়াই সুবিধা বুজি তাৰ এই কুকাৰ্য্যৰ দণ্ড হিচাপে গোপনে তাক যেন হত্যা কৰা হয়। এই সিদ্ধান্ত অনুসৰি আঁহজৰত (ছাঃ)য়ে এই দায়িত্ব আউচ কবিলাৰ এজন মুখলিচ চাহাবী মহম্মদ বিন মুছলমাহ (ৰাঃ)ৰ ওপৰত ন্যাস্ত কৰিছিল আৰু এখেত (ৰাঃ)ক নিৰ্দেশ দিছিল যে এই কাৰ্য্যত যিয়েই উপায় অৱলম্বন কৰা হওঁক সেয়া যেন আউচ কবিলাৰ চৰদাৰ ছাআদ বিন মুৱাজৰ পৰামৰ্শ অনুযায়ী কৰা হয়। মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে সুধিছিল-ইয়া ৰছুলুল্লাহ (ছাঃ) গোপনে হত্যা অৰ্থ্যাৎ মনে মনে হত্যা কৰিবলৈ হলেও দেখোন কিবা এটা কব লাগিব অৰ্থ্যাৎ কোনো ভাও এটা জুৰিব লাগিব, যাৰ সহায়ত কাআবক তাৰ ঘৰৰ পৰা বাহিৰলৈ উলিযাই আনিব পৰা যায়। আৰু কোনো ঠাইত লৈ গৈ হত্যা কৰিব পৰা যায়। তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে - হব ঠিক আছে ! এই পৰিকল্পনা অনুযায়ী মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে ছাআদ বিন মুৱাজৰ পৰামৰ্শ অনুযায়ী আবু নায়লা আৰু দুই তিনিজন চাহাবীক লগত লৈ কাআবৰ ঘৰত গৈ উপস্থিত হৈছিল আৰু কাআবক ভিৰত মহলৰ পৰা মাতি আনি কৈছিল যে আমাৰ চাহাবে অৰ্থ্যাৎ মহম্মদ (ছাঃ)য়ে আমাৰ পৰা ছদকা বিচাৰিছে কিন্তু আমি এতিয়া বৰ অনাটনত আছো। দয়া কৰি তুমি মোক অলপ ধাৰে দিব পাৰিবানে ? এই কথা শুনি কাআবে বৰ আনন্দিত হৈছিল আৰু কৈছিল যে ওয়া আল্লাহ ! এতিয়া কি হল ! সেই দিন আৰু বেছি পৰ নাই, যেতিয়া তুমি সেই ব্যাক্তিক অসন্তুষ্টিৰে বেজাৰ হৈ এৰি দিবা। তেতিয়া মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে উত্তৰ দিছিল - যিয়েই নহওঁক আমি মহম্মদ (ছাঃ)ৰ আনুগত্য শিৰোধাৰ্য্য কৰিছো, যি কামৰ বাবে তোমাৰ ওচৰত আহিছে, তুমি সেয়া কোৱা, তুমি আমাক (ধাৰ) দিবা নে নিদিবা ? কাআবে কৈছিল- হয় দিম ! কিন্তু কিবা বস্তু মোৰ হাতত বন্ধক ৰাখা। মহম্মদ (ৰাঃ)য়ে সুধিছিল কি বস্তু বন্ধক ৰাখিম ? তেতিয়া সেই দুষ্ট কাআবে কৈছিল- নিজৰ তিৰতাক বন্ধক ৰাখা ! মহম্মদ (ৰাঃ)য়ে খং ভিতৰতে চেপি ৰাখি কৈছিল যে - এয়া কেনেকৈ হব পাৰে যে তোমাৰ দৰে লোকৰ ওচৰত আমি নিজৰ তিৰোতাক বন্ধক ৰাখিম। দুষ্ট কাআবে কৈছিল - ঠিক আছে তেন্তে তোমাৰ পুত্ৰক বন্ধক ৰাখা।মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে

কৈছিল এয়াও অসম্ভৱ। আমি গোটেই আৰবৰ বিদ্রুপ মুৰ পাতি লৰ নোৱাৰো। ইয়াৰ সলনি তুমি যদি দয়া কৰা তেন্তে আমি আমাৰ অস্ত্র তোমাৰ ওচৰত বন্ধক ৰাখিব পাৰো। এই কথাত কাআবে সন্মত হৈছিল আৰু মহম্মদ বিন মুছলমাহ (ৰাঃ)আৰু তেখেতৰ লগৰীয়া সকলে ৰাতিলৈ অহাৰ প্ৰতিশ্ৰুতি দি তাৰ পৰা প্ৰস্থান কৰিছিল। ইয়াৰ পিছত যেতিয়া ৰাতি হৈছিল তেতিয়া এই দলটোৱে অস্ত্র-সস্ত্রলৈ কাআবৰ ঘৰত গৈ উপস্থিত হৈছিল আৰু কাআবক মাতি ঘৰৰ পৰা উলিয়াই আনি কথা পাতি অলপ আঁতৰত লৈ গৈ তাক হত্যা কৰি পেলাইছিল। মহম্মদ বিন মুছলমাহ (ৰাঃ) লগৰীয়া সকলৰ সৈতে তাৰ পৰা প্ৰস্থান কৰি অতি সোনকালে আহি আঁহজৰত (ছাঃ)ৰ ওচৰত উপস্থিত হৈছিল আৰু এই হত্যা কাণ্ডৰ খবৰ দিছিল।

যেতিয়া কাআবৰ হত্যাৰ খবৰ বিয়পি পৰিছিল, চহৰখনত এক আতংক বিৰাজ কৰিছ্লি আৰু ইহুদী সকলে আক্ৰোশ ছন্ন হৈ পৰিছিল। ইয়াৰে পিছদিনাখন ৰাতিপুৱা ইহুদী সকলৰ এটা আহি আঁহজৰত (ছাঃ)ৰ দৰবাৰত উপস্থিত হৈছিল আৰু অভিযোগ কৰিছিল যে আমাৰ চৰদাৰ কাআব বিন আশ্ৰফক এনেদৰে হত্যা কৰা হৈছে। আঁহজৰত (ছাঃ)য়ে তেওঁলোকৰ কথাবোৰ শুনি কৈছিল যে তোমালোকে নিশ্চয় এয়াও গম পোৱা যে কাআব কিমান দোষনীয় কাৰ্য্যৰ সৈতে জড়িত আছিল। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে উদাহৰণ স্বৰূপে কাআবৰ চুক্তি ভংগ কাৰ্য, যুদ্ধৰ সুত্ৰপাত ঘটোৱা কাৰ্য্য, ফছাদ সৃষ্টি কাৰ্য্য, কুৎসা ৰটনা কৰা কাৰ্য্য, হত্যাৰ ষড়যন্ত্ৰ কৰা কাৰ্য্য আদি সম্পৰ্কে তেওঁলোকক আঙুলিয়াই দিছিল। যাৰ ফলত ইহুদীৰ দলটোৱে ভয়ত নীৰৱ হৈ গৈছিল। কথাৰ শেষত আকৌ আঁহজৰত (ছাঃ)য়ে ইহুদী সকলক কৈছিল যে তোমালোকে কম পক্ষে ভৱিষ্যতলৈ শান্তি আৰু সহযোগীতাৰে থকা উচিত আৰু শত্ৰুতা বিবাদ আদিৰ বীজ ৰূপন নকৰিবা।আকৌ এটা নতুন চুক্তি ৰূপায়ন কৰিছিল আৰু ইহুদী সকলে মুছলমান সকলৰ সৈতে শান্তিৰে থাকিবলৈ আৰু বিবাদৰ বাট পৰিহাৰ কৰিবলৈ চুক্তি স্বাক্ষৰ কৰিছিল। কাআব যদি আচাৰ ভ্ৰষ্ট দোষী নহলহেতেঁন আৰু তাৰ হত্যা কাণ্ডত নীৰৱ নেথাকিলে হেতেঁন কাৰণ সিহঁতে মনে মনে উপলব্ধি কৰিছিল যে কাআবে তাৰ কৃত কৰ্মৰ শান্তি লাভ কৰিছে।

কাআব বিন আশ্ৰফৰ হত্যা কাণ্ডৰ ওপৰত পশ্চমীয়া ইতিহাস বিদ সকলে বহুত কিবা কিবি লিখিছে আৰু আঁহজৰত (ছাঃ)ৰ আঁচলত এক অশুভনীয় দাগ আকি দিবলৈ বহু আপত্তি অভিযোগ জমা কৰি লৈছে। কিন্তু ভাৱিবলগীয়া কথা হল এয়া যে এই হত্যাৰ শাস্তি কাআবৰ বদ কৰ্ম অনযায়ী জায়েজ হৈ পৰিছিল নে নাছিল ? আনহাতে যি কৌশল হত্যাৰ নিমিত্তে অৱলম্বন কৰা হৈছিল, সেয়া পৰিস্থিতি অনুযায়ী জায়েজ আছিল নে নাছিল ?

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মনত ৰখা উচিত হব যে কাআব বিন আশ্ৰফ আঁহজৰত (ছাঃ)ৰ সৈতে আইনত শান্তি নিৰাপত্তা ৰক্ষাৰ চুক্তি স্বাক্ষৰ কৰিছিল আৰু মুছলমান সকলৰ বিৰুদ্ধে কোনো কাৰ্য্য কৰা দুৰৰ কথা, তেওঁ এই শপত লৈছিল যে তেওঁ প্ৰত্যেক বহিঃ আক্ৰমণৰ সময়ত শত্ৰুৰ বিৰুদ্ধে মুছলমান সকলক সহায় কৰিব আৰু মুছলমান সকলৰ লগত বন্ধুত্বপুৰ্ণ সম্পৰ্ক বজাই ৰাখিব। কিন্তু দেখা গল যে কাআবে সকলো প্ৰতিশ্ৰুতি আওকাণ কৰি মুছলমান সকলৰ লগত বৰং কৰিব পাৰি যে শাসক বৰ্গৰ লগত বিশ্বাস ঘাতকতা কৰিছে। কিয় আজি কালি একচ্ছত্ৰি ধৰ্মীয় দেশ বিলাকত বিদ্রোহ (ৰাজদ্ৰোহী) চুক্তি ভংগকাৰী আৰু প্ৰজাক উচটনি দিয়া, হত্যাৰ ষড়যন্ত্ৰ কৰা মুশৰিমক (দোষীক) মৃত্যু দণ্ড দিয়া নহয়নে ?

এতিয়া প্ৰশ্ন উঠিব পাৰে যে এয়া যে কাআবৰ হত্যা প্ৰণালী জায়েজ আছিল নে নাছিল। ইয়াৰ উত্তৰত হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে - সেই সময়ত আৰবত কোনো নিয়মিত ৰাজ শাসন বা সাম্ৰাজ্য নাছিল বৰং প্ৰত্যেক ব্যাক্তি আৰু প্ৰত্যেক কবিলা স্বাধীন আৰু নিজ নিয়মৰ অধীন আছিল। তেনেকুৱা অৱস্থাত কোনখন আদালত আছিল যে তাত কাআবৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি নিয়ম অনুযায়ী তাৰ হত্যাৰ আদেশ অৰ্জন কৰিব।

এই কথাখিনিও মনত ৰখা উচিত হব যে - হিজৰতৰ পিছত মুছলমান আৰু ইহুদী সকলৰ মাজত স্বাক্ষৰিত হোৱা চুক্তি অনুযায়ী আঁহজৰত (ছাঃ)য়ে এজন সাধাৰণ চহৰৰ বাসিন্দাৰ সমান মৰ্যাদাও লাভ কৰা নাছিল। বৰং তেখেত (ছাঃ)য়ে সেই গণতান্ত্ৰিক সাম্ৰাজ্যৰ সভাপতি পদত আছিল যি মদিনাত প্ৰতিষ্ঠিত আছিল হৈছিল। লগতে তেখেত (ছাঃ)ক এই অধিকাৰ দিয়া হৈছিল যে সকলো বিবাদ আৰু ৰাজনৈতিক বিষয় সংক্ৰান্তে তেখেত (ছাঃ)য়ে দেশৰ শান্তি ৰক্ষাৰ্থে কাআবৰ বিবাদ সৃষ্টি মুলক কাৰ্য্যৰ বাবে তাক ওয়াজিবুল কতল (হত্যাৰ যোগ্য দোষী) বুলি নিৰ্দ্ধাৰণ কৰিছিল।

বাকী থাকিল এই অভিযোগ যে সেই ঘটনা সংক্ৰান্তে আঁহজৰত (ছাঃ)য়ে নিজৰ চাহাবা সকলক মিছা মাতি প্ৰৱঞ্চনা কৰাৰ অনুমতি দিছিল। এই কথাখিনি সম্পুৰ্ণই মিছা কথা আৰু ছহি ৰোৱায়েতত এয়া মিছা প্ৰতিপন্ন কৰে। বোখাৰী শ্বৰিফৰ

ৰোৱায়েত অনুযায়ী - যেতিয়া মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ক কৈছিল যে কাআবক নীৰৱ ভাৱে হত্যা কৰিবলৈ হলেও কিবা নহয় কিবা এটা কথা নিশ্চয় কব লাগিব, তেতিয়া তেখেত (ছাঃ)য়ে সেই ডাঙৰ উপকাৰৰ ফালে লক্ষ্য কৰি যি গুপ্ত হত্যাৰ যোগ্য আছিল, কেৱল ইখিনি কথা কৈছিল যে হয় ! ইয়াতকৈ বেছি সেই সময়ত তেখেত (ছাঃ) বা মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে কোনো কথা আলোচনা কৰা নাছিল। মুঠতে যুদ্ধ কালীন অৱস্থাত গুপ্তচৰ সকলক যি সকলে নিজৰ দায়িত্ব পালন কৰে, এনে ধৰণৰ কথা কবলগীয়া হয়। যাৰ ওপৰত কোনো বিবেকবান ব্যাক্তিয়ে অভিযোগ উত্থাপন নকৰে। গতকি যিয়েই নহওঁক আঁহজৰত (ছাঃ)ৰ আচল সকলো অৱস্থাতেই পবিত্ৰ আছিল।

কিছুমানে এনেকুৱা প্ৰশ্নও উঠায় যে যুদ্ধৰত অৱস্থাত মিছা কথা কোৱা আৰু প্ৰৱঞ্চনা কৰা জায়েজ আছে। কিছুমান ৰোৱায়েতত উল্লেখ আছে যে আঁহজৰত (ছাঃ)য়ে কৈছিল যে যুদ্ধ এক প্ৰকাৰৰ প্ৰৱঞ্চনা আৰু তাৰ এয়াই ধৰি লৱ পৰা যায় যে নাউজুবিল্লাহ আঁহজৰত (ছাঃ)ৰ ফালৰ পৰা যুদ্ধত বোকা বাজি কৰাৰ অনুমতি দিছিল। যত প্ৰথম কথা হল “আল হৰবা খুদআ” বাক্যৰ অৰ্থ এয়া নহয় যে যুদ্ধ ক্ষেত্ৰত প্ৰৱঞ্চনা কৰা জায়েজ আছে। বৰং এই শব্দবোৰৰ অৰ্থ হল যুদ্ধ এটা এটা ধোকা (প্ৰৱঞ্চনা) মাত্ৰ। আন এটা ৰোৱায়েত আছে যে “ছমি আল হৰবা খুদআ” অৰ্থ্যাৎ আঁহজৰত (ছাঃ)য়ে যুদ্ধৰ আন এটা নাম ৰাখিছে প্ৰৱঞ্চনা। এই দুয়ো অৰ্থ মিলাই চালে এয়া স্পষ্ট উত্তৰ ওলায় যে তেখেত (ছাঃ)ৰ কথাৰ অৰ্থ এয়া নহয় যে যুদ্ধত প্ৰৱঞ্চনা কৰা জায়েজ আছে। বৰং ইয়াৰ অৰ্থ ওলায় যে যুদ্ধ বস্তুটোয়ে এটা প্ৰৱঞ্চনা মুলক বস্তু।

এতিয়া কথা হল ৰণ কৌশল বিভিন্ন ধৰণৰ হব পাৰে। উদাহৰণ স্বৰূপ ছহি ৰোৱায়েতৰ পৰা এয়া প্ৰমানিত আছে যে আঁহজৰত (ছাঃ)য়ে যেতিয়া কোনো যুদ্ধলৈ যাত্ৰা কৰিছিল তেতিয়া সাদাৰণ ভাৱেই নিজৰ গন্তব্য স্থানৰ কথা পোনে পোনে প্ৰকাশ কৰা নাছিল। মাজে সময়ে এনেকুৱাও কৰিছিল যে যাব লাগিব দক্ষিণফালে কিন্তু প্ৰথমে যাত্ৰা আৰম্ভ উত্তৰ ফালে। পিছত বাটতে পাক মাৰি দক্ষিণ ফালে ঘুৰি গৈছিল। যদি কেতিয়াবা কোনোবাই সুধিছিল কৰ পৰা আহিছে তেন্তে মদিনাৰ নাম লোৱাৰ সলনি ওচৰৰে নাইবা দুৰৰ এখন ঠাইৰ নাম কৈ দিছিল। নাইবা এনে ধৰণেৰে বেলেগ জায়েজ যুদ্ধ পন্থা অৱলম্বন কৰিছিল। নাইবা যেনকৈ কোৰ-মজিদত ইংগিত দিয়া আছে যে আজি মাজে সময়ে চাহাবা সকলে এনেকুৱা কৰিছিল যে শত্ৰু সকলক অৱসাদ গ্ৰস্থ কৰিবলৈ ৰণ ক্ষেত্ৰত লাহে লাহে পিছুৱাই গৈছিল আৰু যেতিয়া শত্ৰু সৈন্যই গা এৰা দিছিল আৰু তেওঁলোকৰ শাৰীত বিশৃংখলা লাগিছিল তেতিয়া আকৌ চাহাবা সকলে জোৰ দি আক্ৰমণ চলাইছিল। এই সকলোবোৰ অৱস্থাই এই “খুদআ” শব্দই সামৰি লয়। এইবোৰ কৰাটো যুদ্ধ অৱস্থাত জায়েজ বুলি ধৰা হৈছে। কিন্তু মিছা, প্ৰৱঞ্চনা, বিশ্বাস ঘাতকতাৰে নিজৰ কাৰ্য্য সিদ্ধি কৰাটো ইছলামে কঠোৰ ভাৱে নিষেধ কৰিছে । বাকীখিনি অহা জুমাত প্ৰদান কৰা হব (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 07 FEB. 2020**

**(BOOK POST PARINTED MATTER)**

| | |
|---|---|
| **To** | ------------------------------------------------------------------------ |
| | ------------------------------------------------------------------------ |
| **From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844** | |